

নামঘৰটো এতিয়াও আছে। তাত নিতৌ পুৱা গধূলি চাকি জ্বলোৱা হয়। আৰু তেওঁ গা-ধোৱা পুখুৰী, ধান থোৱা ভঁৰালটো বৰ্তমানেও তাত দেখা যায়। মহাপুৰুষ জনাই য'ত বহি গুণমালা পুথিখন লিখিছিল, সেই ঠাইখিনিত তেওঁৰ এটা মূৰ্তিৰে সৈতে হাতত এডাল পাখি লৈ লিখি থকা দৃশ্যটো ধুনীয়াকৈ সাজি থোৱা আছে। এই আটাইবোৰত অসম চৰকাৰৰ অৱদান নাথাকিলে অসমৰ বাহিৰত এই মহান পুৰুষজনাৰ স্মৃতিবোৰ সজীৱ হৈ নাথাকিলেহেঁতেন। তদুপৰি এই পবিত্ৰ ঠাইখন চাবলৈ বিভিন্ন দেশৰ পৰা বিভিন্ন মানুহৰ সমাগম ঘটে। সাধাৰণতে বহুত দূৰৈৰ পৰা অহা বিদেশী পৰ্যটকবোৰক থকাৰ বাবে কিছুমান কোঠাৰ ব্যৱস্থা অসম চৰকাৰে কৰি দিছে।

কোচবিহাৰলৈ গৈ ৰাজবাৰীলৈ নগ'লে যাত্ৰা আধৰুৱা হৈ ৰ'ব। আমি মধুপুৰ সত্ৰৰ পৰা পোনে পোনে ৰাজবাৰীলৈ বুলি যাত্ৰা আৰম্ভ কৰিছিলোঁ। ৰাজবাৰী পোৱাৰ আগতে আমি এখন হোটেলত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিছিলোঁ। ৰাজবাৰীখনক কোচবিহাৰৰ ৰাজমহল বুলিও কোৱা হয় আৰু ইয়াক 'Victor Jubilee Place' বুলিও জনা যায়। মহাৰাজ নৃপেন্দ্ৰ নাৰায়ণৰ ৰাজত্ব কালত লণ্ডনৰ 'Wokingham place'ৰ আৰ্হিত ১৮৮৭ চনত নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছিল। ৰাজবাৰীত মুঠ ২৪ জন ৰজাই ৰাজত্ব কৰিছিল। ইয়াৰে প্ৰথমজন আছিল মহাৰাজ চন্দ্ৰ। তৃতীয়জন নৰনাৰায়ণ আৰু শেষৰজন জগদীপেন্দ্ৰ নাৰায়ণ বুলি উল্লেখ পোৱা গৈছে। এই ৰজা-মহাৰজাসকলৰ দিনত ব্যৱহাৰ কৰা সামগ্ৰীবোৰ সযত্নেৰে ৰখাৰ বাবে এটা সংগ্ৰহালয় দেখিবলৈ পাইছিলোঁ। এই সংগ্ৰহালয়ত ৰজা-ৰাণীসকলে ব্যৱহাৰ কৰা প্ৰতিটো বস্তু ৰখাৰ ব্যৱস্থা কৰা হৈছে। তাত বহুতো কোঠা দেখিবলৈ পোৱা যায়। তাৰ ভিতৰত Dressing room, Bed room, Drawing room, Dining room, Billiard room, Library, Tashakhana, Ladies Gallery আৰু Vestibules আদি। তদুপৰি বাহিৰত এখন বাগিচা আৰু এটা পুখুৰী আৰু ৰজা-মহাৰজাসকলে যুদ্ধ কৰিবলৈ ব্যৱহাৰ কৰা সামগ্ৰীবোৰ এতিয়াও দেখা যায়। ৰাজবাৰীৰ ৰজা-মহাৰজাৰ দিনতে পূজা কৰা মূৰ্তিবোৰ দেখিবলৈ পোৱা যায়। আৰু ৰাজবাৰী ভিতৰৰ-বাহিৰৰ সমগ্ৰ পৰিৱেশটোকে সংগ্ৰহালয় বুলি কোৱা হয়। কাৰণ তাত থকা প্ৰতিটো বস্তু সংৰক্ষণ কৰি ৰখা হৈছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এই পবিত্ৰ স্থানখনৰ লগতে ৰাজবাৰীলৈ গৈ আমি দৰ্শন বিভাগৰ দলটোৱে বহু আনন্দৰ দিন পাৰ কৰিছিলোঁ। এই দিনটোৰ স্মৃতিবোৰ কেতিয়াও পাহৰিব নোৱাৰিম। তদুপৰি বহু নজনা কথা জানিব পাৰিছিলোঁ। আমি এই সত্ৰখন আৰু ৰাজবাৰীখন অসমৰ বাহিৰত হোৱাৰ বাবে তাৰ জ্ঞান লোৱাৰ বাবে অৱহেলা কৰিব নালাগে। অসম চৰকাৰেও মহাপুৰুষজনাৰ এই আপুৰুগীয়া সম্পদবোৰ সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰি ভৱিষ্যৎ প্ৰজন্মক এইবোৰৰ ওপৰত সামান্য জ্ঞান লাভ কৰাত সুবিধা কৰিব লাগে। উত্তৰ-পূব ভাৰতৰ প্ৰথম নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক, অসমীয়া জাতি, সংস্কৃতি আৰু সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ছকুৰি বছৰ জীয়াই থাকি অসমীয়া জাতি আৰু সমাজৰ নতুন ভেটিত থাপনা কৰি ১৪৯০ শকত অৰ্থাৎ ১৫৬৮ চনত পূবৰ বিহাৰত বৈকুণ্ঠ প্ৰয়াণ কৰে।

শেষত আমাৰ দৰ্শন বিভাগৰ ছাৰ-বাইদেউৰ লগতে বুৰঞ্জী আৰু গণিত বিভাগৰ ছাৰ-বাইদেৱে আমাৰ লগত গৈ আমাক এইজনা মহান পুৰুষৰ ব্যৱহাৰিক জীৱনৰ বস্তুবোৰৰ লগত ৰাজবাৰীৰ ৰাজ-মহাৰজাসকলৰ দিনৰে সামগ্ৰীবোৰৰ জ্ঞান লাভ কৰিবলৈ সামান্য সুবিধাকণ দিয়াৰ বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।





# বিধানসভা অধিৱেশনৰ কিছু অভিজ্ঞতা

**অঞ্জলি সাহা**
স্নাতক পঞ্চম ষাণ্মাসিক,
ৰাজনীতি বিজ্ঞান বিভাগ

২০১৬ চনৰ অসম বিধানসভা নিৰ্বাচনত জয়লাভ কৰা নৱগঠিত বিজেপি চৰকাৰে পৰিৱৰ্তনৰ শ্ল'গানেৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। তাৰে এক আঁচনিত শিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে বিধানসভাৰ অধিৱেশনৰ কিছু অভিজ্ঞতা আহৰণৰ উদ্দেশ্যে অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিধানসভাৰ অধিৱেশনত উপস্থিত থকাৰ সুযোগ প্ৰদান কৰিছে। এই আঁচনিৰ অধীনত দুধনৈ মহাবিদ্যালয় আৰু গোৱালপাৰা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু আমি ২৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিধানসভাৰ অধিৱেশনত উপস্থিত হোৱাৰ সুযোগ লাভ কৰিছিলোঁ।

তাৰে কিছু আভাস ইয়াত উল্লেখ কৰিলোঁ। বিধানসভা, ৰাজ্যসভা, লোকসভাৰ অধিৱেশনসমূহ প্ৰায়ে টিভিত চাই থাকোঁ; তাত কি কৰে, কেনেকৈ কৰে, সদনৰ ভিতৰখন কেনেকুৱা, বিধানসভাৰ কেম্পাচটো কেনেকুৱা এই বিষয়ে গৈ চাবলৈ জানিবলৈ ইচ্ছা আছিল। কিন্তু এই ইচ্ছা পূৰণ হ'ব বুলি কেতিয়াও আশা কৰা নাছিলোঁ। হঠাৎ এদিন দীপাংকৰে (আমাৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক) সুধিলে "আমাৰ কলেজৰ পৰা কেইগৰাকীমান ছাত্ৰ-ছাত্ৰী মাৰ্চৰ ৭ তাৰিখে বিধানসভালৈ যাব লাগে, তই যাব পাৰিবিনে?" মই একো

নভবাকৈয়ে তৎক্ষণাত ক'লোঁ, "নিশ্চয় পাৰিম।" সেইদিনাখনৰ পৰা মোৰ আনন্দৰ সীমা নাছিল।

৬ মাৰ্চ, ২০১৭ ইং তাৰিখ অৰ্থাৎ যোৱাৰ আগদিনা ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত প্ৰশান্ত শৰ্মা ছাৰে বিধানসভাৰ বিষয়ে, যোৱাৰ সম্পৰ্কে কিছু আভাস দিছিল। যেনে— বিধানসভাত গৈ কেনেকৈ থাকিম, কিবা সুধিব লগা হ'লে কিদৰে সুধিম, কিদৰে উত্তৰ দিম ইত্যাদি... ইত্যাদি আৰু কিছু কথা।

পিছদিনা অৰ্থাৎ ৭ মাৰ্চ তাৰিখে ৰাতিপুৱা ৫ বজাত দুধনৈ মহাবিদ্যালয় আৰু গোৱালপাৰা মহাবিদ্যালয়ৰ মুঠ ২৪ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গোপাল ফুকন ছাৰ আৰু গ্ৰন্থাগাৰিক শ্ৰীযুতা ৰাজশ্ৰী বৰকাকতি বাইদেউ, গোৱালপাৰা মহাবিদ্যালয়ৰ দুগৰাকী অধ্যাপক আৰু অধ্যাপিকা একেলগ হৈ দুধনৈ মহাবিদ্যালয়ৰ পৰা কিছু নতুন অভিজ্ঞতা লাভৰ আশাৰে যাত্ৰা আৰম্ভ কৰিলোঁ।

ৰাতিপুৱা ৮ বজাত বিধানসভাৰ সন্মুখত উপস্থিত হ'লোঁ। তাত কিছু সময় ৰৈ ৮.৩০ বজাত প্ৰৱেশ পত্ৰ লৈ বিধানসভাৰ কেম্পাছলৈ প্ৰৱেশ কৰিলোঁ। প্ৰতিখন দুৱাৰত থকা আৰক্ষী তথা আন বিষয়াসকলে চেকিং কৰি আমাক ভিতৰলৈ যাবলৈ অনুমতি দিলে। প্ৰৱেশ পত্ৰ অবিহনে সৰ্বসাধাৰণ লোকক প্ৰৱেশ কৰিবলৈ নিদিয়ে।

বিধানসভাৰ সদনৰ ভিতৰত প্ৰৱেশ কৰোতে কিছু চৰ্তাৱলী মানি চলিব লাগে। যেনে— প্ৰৱেশ পত্ৰৰ বাহিৰে আন কোনো বেগ, ঘড়ী, আঙঠি, মোবাইল, বাতৰি কাকত, নিচাযুক্ত দ্ৰব্য, কলম ইত্যাদি লৈ প্ৰৱেশ কৰা নিষেধ। ভিতৰত কোনো বিক্ষোভ প্ৰদৰ্শন বা হৰ্ষধ্বনি নকৰা, সম্পূৰ্ণ নিৰৱতা অৱলম্বন কৰা।

বীথিকালৈ (গেলেৰী) যোৱা বাটত বা বীথিকাৰ ওপৰত থিয় হৈ নথকা, উপাধ্যক্ষ তথা বিধায়কসকলৰ জিৰণি কোঠালৈ নোযোৱা, বিধানসভাৰ ভৱনত তথা বাৰাণ্ডাত অযথা কামত ফুৰা-চকা নকৰা ইত্যাদি।

ব্ৰেক ফাষ্ট কৰি ৯ বজাত প্ৰৱেশ পত্ৰখন লৈ সদনৰ ভিতৰলৈ প্ৰৱেশ কৰিলোঁ। ৯ বজাৰ পৰা আবেলি ১.৩০ বজালৈ সদনত উপস্থিত থাকি বিধানসভাৰ অধ্যক্ষ হিতেন্দ্ৰনাথ গোস্বামীৰ উপস্থিতিত শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উদ্যোগমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বনমন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্মৰ লগতে আন কেইবাগৰাকী মন্ত্ৰী আৰু বিধায়ক-বিধায়িকাসকলৰ মাজত হৈ থকা বিভিন্ন বিষয়ৰ আলোচনাসমূহ প্ৰত্যক্ষ কৰিলোঁ। আমি সাধাৰণতে টিভিত দেখাৰ দৰে সেইদিনাখন আলোচনাৰ সময়ত কোনো বিশৃংখলতাৰ সৃষ্টি হোৱা নাছিল, সু-কলমে এক শান্তিময় পৰিস্থিতিৰ মাজেৰে আলোচনা চলিছিল। চিলাপথাৰ কাণ্ড, চিকিৎসালয় স্থাপন, ডাক্তৰ নিযুক্তি আৰু সীমাৰ কিছু সমস্যাৰ বিষয়ে লৈ সিদিনা আলোচনা চলিছিল।

১.৩০ বজাৰ পিছত বিধানসভাৰ কেম্পাচত থকা কেণ্টিনত দুপৰীয়াৰ এসাঁজ খাই ২.৩০ বজাৰ পৰা আন এটা ভৱনত মাননীয় উদ্যোগ মন্ত্ৰী শ্ৰীযুত চন্দ্ৰমোহন পাটোৱাৰী, দুধনৈ সমষ্টিৰ বিধায়ক শ্ৰীযুত দীপক কুমাৰ ৰাভা আৰু কেইবাগৰাকী বিধায়ক আমাৰ লগত একেলগে মিলিত হৈ আমাক আমাৰ মনৰ ভাব প্ৰকাশ কৰাৰ সুবিধা দিয়াৰ উপৰিও আন কিছু কথা পাতি আমি অৱগত কৰা আমাৰ সমস্যাসমূহৰ সমাধানৰ আশ্বাস দিলে। শেষত সকলোৱে একেলগে ফটো তুলি, ছেলফি মাৰি কিছু সময় ফুৰা-চকা কৰি হাঁহি-ধেমালি কৰি নিশা ৮ বজাত ঘৰ আহি পালোঁ।

নৱনিযুক্ত চৰকাৰে গ্ৰহণ কৰা এনে আঁচনিৰ জৰিয়তে সৌভাগ্যক্ৰমে বিধানসভাৰ অধিৱেশনত উপস্থিত হৈ মোৰ এটি সপোন দিঠকত পৰিণত কৰিবলৈ এটি সুবিধা লাভ কৰিলোঁ।

এই আঁচনি গ্ৰহণ কৰি আমাক বিধানসভাৰ অধিৱেশনত উপস্থিত হ'বলৈ সুযোগ দিয়াৰ বাবে নৱগঠিত চৰকাৰক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

# কিছু জানিবলগীয়া কথা

১। পৃথিৱীৰ প্ৰথম মহিলা ৰাষ্ট্ৰপতিগৰাকীৰ নাম কি?

**উত্তৰ ঃ** আৰ্জেণ্টিনাৰ Martiner Cartas De Peron. তেওঁ ১৯৭৪ চনৰ পৰা ১৯৭৬ চনলৈ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

২। পৃথিৱীৰ ডাঙৰ জন্তু কি?

**উত্তৰ ঃ** The Blue whale. দীঘল ৩০ মিটাৰ আৰু গড় ওজন ১৮০ মেট্ৰিকটন।

৩। পৃথিৱীৰ দীঘল সাপবিধৰ নাম কি?

**উত্তৰ ঃ** Retculated Python, ৩০ ফুট দীঘল।

৪। পৃথিৱীৰ প্ৰথম প্ৰকাশিত বাতৰি কাকতখন কি নামেৰে জনা যায়?

**উত্তৰ ঃ** জাৰ্মান ভাষাত প্ৰকাশিত éÂRelation aller Furnemmen and Gedenckwurdigen Historien.'

৫। প্ৰথম ছিম কাৰ্ড কেতিয়া আৰু কোনে উদ্ভাৱন কৰিছিল?

**উত্তৰ ঃ** ১৯৯১ চনত, Gleseckn আৰু Devrient য়ে।

৬। পৃথিৱীৰ প্ৰথম ছবিখনৰ নাম কি?

**উত্তৰ ঃ** Race Horse.

৭। এভাৰেষ্ট শৃংগ বগোৱা প্ৰথম মহিলা কোন?

**উত্তৰ ঃ** জাপানীজ পৰ্বতাৰোহী Junko Tabei।

৮। Google ৰ সম্পূৰ্ণ অৰ্থ কি?

**উত্তৰ ঃ** Global Organisation of Oriented Group Language of Earth.

■ **বনশ্ৰী নাথ**
স্নাতক পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ

ভ্ৰমণ কাহিনী

# ছিকিম চাই আহিলোঁ

**গিৰীজা ৰাভা**
স্নাতক দ্বিতীয় ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ



প্ৰকৃতিময় প্ৰাকৃতিক দৃশ্যৰে ভৰপূৰ হৈ থকা আমাৰ দেশৰে অন্যতম এখন সৰু ৰাজ্য ছিকিম। এই ৰাজ্যৰ পশ্চিমে নেপাল, উত্তৰ আৰু পূৱ দিশত তিব্বত, দক্ষিণ-পূবে ভূটান আৰু দক্ষিণে পশ্চিমবংগ অৱস্থিত। 'ছিকিম' শব্দটো দুটা লিম্বু শব্দ। 'ছু' অৰ্থাৎ 'নতুন' আৰু 'খ্যিম' অৰ্থাৎ 'ৰাজপ্ৰসাদ' বা 'ঘৰ' পৰা ছিকিম হৈছে। বিশ্বাস কৰা হয় যে এই নামটোৱে ৰাজ্যখনৰ প্ৰথমজন শাসনকৰ্তা ফুন্টছুগৰ নামগ্যাল দ্বাৰা নিৰ্মিত ৰাজপ্ৰসাদক বুজায়। তিব্বতীয় ভাষাত ছিকিমৰ নাম হৈছে ডেনজং (Denjong) অৰ্থাৎ 'ধানৰ উপত্যকা'। ছিকিমৰ মূল অধিবাসী লেপছাসকলৰ মতে ছিকিম হ'ল 'স্বৰ্গৰ উদ্যান'। হিন্দুৰ ধাৰ্মিক গ্ৰন্থত ছিকিমক ইন্দ্ৰকাল, অৰ্থাৎ দেৱৰাজ ইন্দ্ৰৰ বাগিচা বুলি জনা যায়।

২৬ অক্টোবৰ, ২০১৬ৰ কথা। আমি ভূগোল বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল, লগতে আমাৰ ছাৰ আৰু বাইদেউৰ সৈতে ছিকিমলৈ ৰাওনা হৈছিলো। আমাৰ মনত বহুত স্ফূৰ্তি, কাৰণ মই আৰু মোৰ বান্ধৱী আমি পোনপ্ৰথমবাৰৰ বাবে ৰাজ্যৰ বাহিৰত ভ্ৰমণলৈ ওলাইছিলোঁ।

আমি প্ৰথমে গুৱাহাটী ৰে'ল ষ্টেচনৰ পৰা ৰে'লেৰে গৈ নিউ জলপাইগুৰি ৰে'ল ষ্টেচনত নামিলোঁ। তাৰ পৰা আমি ছিকিম অৰ্থাৎ গেংটকলৈ বুলি বাছেৰে ৰাওনা হ'লোঁ। ৰাস্তাৰ দুয়োকাষৰ মনোমোহা দৃশ্যই আমাৰ ভাগৰুৱা দেহলৈ সজীৱতা আনিছিল। সেউজী ছিকিমৰ বুকুৰে বৈ যোৱা তৃষ্টা নদীৰ পাৰে পাৰে আমি আগবাঢ়িছিলোঁ গেংটকলৈ। গেংটক চহৰ পাই তাত দেখিবলৈ পাইছিলোঁ ব্যস্ততাৰে ভৰি আছে অলেখ মানুহ। পৰ্যটকৰে ভৰি আছিল গেংটক চহৰ।


দুদিন ধৰি আমি গেংটকৰ ওচৰে-পাজৰে থকা বিভিন্ন মনোৰম ঠাই ফুৰি ছিকিমৰ সৌন্দৰ্যৰ মোহত বিভোৰ হৈ পৰিছিলোঁ। গেংটক চহৰত অৱস্থিত এম জি মাৰ্গত ছিকিমলৈ যোৱা পৰ্যটকসকলে ভিন্ন ৰুচিৰ খাদ্যৰ জুতি ল'ব পাৰে। ছিকিমৰ থলুৱা খাদ্যৰ লগতে তিব্বতিয়ান আৰু চাইনিজ খাদ্যৰ জুতি ল'ব পাৰি। আমি তাত সুস্বাদু চুৰপী (গাখীৰে বনোৱা) আৰু ম'ম'ৰ জুতি লৈছিলোঁ। তাত এই ম'ম' আৰু চুৰপী অতি জনপ্ৰিয়।

ছিকিমৰ স্বচ্ছতা সঁচাই লেখত ল'বলগীয়া। যেতিয়াৰ পৰা ছিকিমত প্লাষ্টিক ব্যৱহাৰ নিষিদ্ধ কৰি দিয়া হৈছে, তেতিয়াৰ পৰা ইয়াৰ স্বচ্ছতা দুগুণে বাঢ়িবলৈ আৰম্ভ হৈছে বুলি আমি গম পাইছিলোঁ তাত লগ পোৱা মানুহৰ সৈতে কথা পাতি। তাত দেখিবলৈ পাইছিলো ৰাস্তাই ৰাস্তাই প্ৰতি ১/২ কিঃমিঃৰ মূৰে মূৰে এটা এটা ডাষ্টবিন। ছিকিমৰ মানুহৰ ব্যৱহাৰ-পাতি, কথা-বতৰা সঁচাই আছিল লেখত ল'বলগীয়া। ২০১৬ চনত 'পৰিষ্কাৰ পৰ্যটন ক্ষেত্ৰ' হিচাপে দেশৰ ভিতৰতে পুৰস্কাৰ লাভ কৰিছিল ছিকিমে। ছিকিমৰ চাবলগীয়া ঠাইবোৰ ভিতৰত ৰাংঘা মনাষ্টী, টাটা ভিউ পইন্ট, জিৰো পইন্ট, নাথুলা পাছ উল্লেখনীয়। আপোনালোকে যদি কেতিয়াবা ছিকিমলৈ যায় তেন্তে এই পৰ্যটন থলীসমূহ নিশ্চয় পৰিদৰ্শন কৰিব।

ছিকিমৰ পৰা উভতি আহি মোৰ এনে অনুভৱ হৈছিল, যদি আমি আমাৰ ঠাইসমূহো তেনেদৰে প্লাষ্টিকমুক্ত কৰি পৰিষ্কাৰ কৰি ৰাখো আমাৰ অসমখনো দেশৰ ভিতৰতে অন্যতম এখন আকৰ্ষণীয় পৰ্যটন ক্ষেত্ৰ হৈ পৰিব।



# মহাত্মা গান্ধীৰ দৃষ্টিত হিটলাৰ



**ময়ুৰ বৰা**

বিশিষ্ট চিন্তাবিদ

মহাত্মা গান্ধী আৰু এডলফ হিটলাৰ। ঊনৈশ শতিকাত জন্মগ্ৰহণ কৰি বিংশ শতিকাত অস্বাভাৱিকভাৱে মৃত্যুক সাৱটি লোৱা দুয়োজনেই আধুনিক ইতিহাসৰ অত্যন্ত গুৰুত্বপূৰ্ণ ব্যক্তি। কেৱল ব্যক্তি বুলিলে হয়তো ভুল হ'ব। কাৰণ, মতাদৰ্শৰ তীব্ৰ ভিন্নতা সত্ত্বেও দুয়োজনৰে ৰাষ্ট্ৰ, ৰাজনীতি আৰু মানৱ জীৱন সম্পৰ্কীয় চিন্তা-চৰ্চা আৰু কৰ্মৰাজিৰ প্ৰভাৱ ইমান গভীৰ আৰু ব্যাপক আছিল যে দুয়ো হৈ পৰিছিল দুটা বৃহৎ অনুষ্ঠানৰ নিচিনা। তেওঁলোকৰ চিন্তাৰাজিৰ প্ৰভাৱ আজিৰ মানুহৰ মনোজগততো স্পষ্ট। আধুনিক কোনোবা আৱেগপ্ৰৱণ আৰু সংবেদনশীল মানুহৰ মনত যদি এই দুজনা ব্যক্তিৰ প্ৰভাৱ বোৱতী সুঁতিৰ দৰে, আন কাৰোবাৰ মনত সময়ভেদে সেই প্ৰভাৱে উত্তাল তৰংগৰো সৃষ্টি কৰে।

গান্ধী আৰু হিটলাৰৰ চিন্তা আৰু কৰ্মপদ্ধতি আছিল সম্পূৰ্ণৰূপে সুকীয়া। জীৱনকালতেই 'মহাত্মা' উপাধিৰে বিভূষিত হোৱা গান্ধী আছিল ভাৰতৰ স্বাধীনতা পিয়াসী, সংগ্ৰামী ৰাইজৰ অধিকাংশৰে নয়নৰ মণি। অহিংসা আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত গান্ধীৰ নেতৃত্বত গঢ় লোৱা ভাৰতৰ স্বাধীনতা আন্দোলনে সাম্ৰাজ্যবাদী ব্ৰিটিছৰ শোষণমূলক শাসনৰ অন্ত পেলাইছিল। একে সময়তে বিশ্বত হিটলাৰে জাৰ্মান ৰক্তৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিবলৈ গৈ এনে কিছুমান অমানুষিক আৰু পৈশাচিক কাৰ্যপন্থা গ্ৰহণ কৰিছিল, যাৰ ফলত নিধন হৈছিল প্ৰায় ষাঠি লাখ ইহুদী আৰু আশী-নব্বৈ লাখ অন্যান্য জাতিৰ লোক। অকালতে মৃত্যুবৰণ কৰিছিল বহু লাখ জাৰ্মান লোকে। অৱধাৰিতভাৱে হিটলাৰৰ নিজৰ জীৱনলৈকো আহিছিল সেই ধ্বংসযজ্ঞৰ বিৰূপ প্ৰভাৱ। শেষ মুহূৰ্তত সকলোফালে নিজৰ মতাদৰ্শৰ পৰাজয় সহ্য কৰিব নোৱাৰি হিটলাৰে

প্ৰেয়সী ইভা ব্ৰাউনৰ লগত একেলগে আত্মহত্যা কৰিছিল। আখ্যা পাইছিল 'শতিকাটোৰ কুখ্যাত ব্যক্তি' হিচাপে।

সকলো মানুহকে সমদৃষ্টিৰে চাবলৈ প্ৰয়াস কৰা মহাত্মা গান্ধীৰ হিটলাৰ সম্পৰ্কীয় ধাৰণা আছিল অত্যন্ত স্পষ্ট। ধূসৰতাৰ কুঁৱলী তাত খুব কমেই দেখা পোৱা যায়। হিটলাৰৰ কৰ্ম সম্বন্ধে গান্ধীৰ মনোভাব উমান পোৱাৰ বাবে মুখ্য উৎস হ'ল গান্ধীয়ে হিটলাৰলৈ লিখা দুখন চিঠি। প্ৰথমখন চিঠি লিখিছিল ১৯৩৯ চনৰ ২৩ জুলাইত আৰু দ্বিতীয়খন ১৯৪০ চনৰ ২৪ ডিচেম্বৰত। কিন্তু তেতিয়াৰ ব্ৰিটিছ চৰকাৰে দুয়োখন চিঠি প্ৰেৰণৰ ক্ষেত্ৰত বিধি-পথালি দিছিল। আধুনিক ইতিহাস চৰ্চাত গান্ধীৰ হিটলাৰ সম্পৰ্কীয় দৃষ্টিভংগী বিশেষতঃ দুটা কাৰণৰ বাবে মানুহৰ আগ্ৰহৰ কেন্দ্ৰবিন্দু হৈ পৰা পৰিলক্ষিত হয়।

প্ৰথম কাৰণটো হ'ল, হিটলাৰে ১৯৩৮ চনত ব্ৰিটিছ চৰকাৰক ভাৰতৰ স্বাধীনতা আন্দোলন দমন কৰা সন্দৰ্ভত প্ৰদান কৰা পৰামৰ্শসমূহৰ বিষয়ে গান্ধী অজ্ঞ নাছিল। লৰ্ড হেলিফেক্সৰ আগত ৰখা হিটলাৰৰ বক্তব্যৰ মাজত কোনো দ্বিধা বা দ্বন্দ্বৰ বিষয়ে গম পোৱা নাযায়। কাৰণ হিটলাৰৰ পৰামৰ্শ আছিল সূৰ্যৰ পোহৰৰ দৰেই স্পষ্ট। গান্ধীক হত্যা কৰিব পাৰিলেই ব্ৰিটিছ সাম্ৰাজ্যবাদ সুৰক্ষিত হ'ব আৰু ভাৰতৰ স্বাধীনতা আন্দোলনৰ তীব্ৰতা ম্লান হৈ পৰিব। হিটলাৰ অৱশ্যে সেইখিনিতে ক্ষান্ত হোৱা নাছিল। তেওঁ ব্ৰিটিছক কংগ্ৰেছৰ অন্যান্য গুৰুত্বপূৰ্ণ নেতাসকলকো হত্যা কৰিবলৈ কৈছিল। তথাপি যদি স্বাধীনতা আন্দোলনৰ চোক নকমে, তেনেহ'লে দুশমান সংগ্ৰামী ভাৰতীয়ক হত্যা কৰাৰ উপদেশো হিটলাৰে হেলিফেক্সক দিছিল।

মানুহৰ আগ্ৰহৰ দ্বিতীয় কাৰণটো আছিল মহান বিজ্ঞানী আইনষ্টাইনে গান্ধীৰ চিন্তাৰ ওপৰত প্ৰকাশ কৰা নিজৰ মতামতসমূহ। প্ৰায়বোৰ কথাতে গান্ধীৰ মতাদৰ্শক সন্মান কৰা আইনষ্টাইনে কিন্তু গান্ধীৰ সত্য আৰু অহিংসাৰ নীতৰ ওপৰত নিৰ্ভৰশীল কাৰ্যপন্থাক হিটলাৰৰ নাজীবাহিনীৰ বিপৰীতে সফলকাম হ'ব নোৱাৰে বুলি ভাবিছিল। আধুনিক বিজ্ঞানে মানৱ জীৱনলৈ অনা যন্ত্ৰচালিত সামগ্ৰীৰ প্ৰতি গান্ধীৰ স্বভাৱজাত অনীহাক সমালোচনা কৰাৰ লগতে আইনষ্টাইনে কৈছিল যে গান্ধীৰ আন্দোলনৰ পন্থা ব্ৰিটিছৰ বিৰুদ্ধেহে প্ৰযোজ্য কৰিব পাৰি, কিন্তু হিটলাৰ বাহিনীৰ বিপক্ষে নহয়। এই দুয়োটা কাৰণৰ বাবে গান্ধীৰ হিটলাৰ সম্পৰ্কীয় মতামত বৌদ্ধিক মহলৰ বাবে সৰ্বদা আকৰ্ষণীয়। একে সময়তে পত্ৰৰ যোগেদি হিটলাৰক অহিংস নীতিৰ সমৰ্থক কৰিবলৈ লোৱা গান্ধীৰ প্ৰয়াসক বাঘক তৃণভোজী কৰাৰ সমাৰ্থক এক অবাস্তৱ পদক্ষেপ বুলিও কিছুসংখ্যক বাওঁপন্থী আৰু উগ্ৰ হিন্দুত্ববাদী চিন্তাবিদে সমালোচনা কৰিছে। তথাপি কিন্তু আগ্ৰহী ব্যক্তিৰ মনত গান্ধীৰ এই দুয়োখন চিঠিৰ সন্দৰ্ভত অনুসন্ধিৎসাৰ অন্ত নাই। কি আছেনো এই চিঠি দুখনত?

গান্ধীয়ে দুয়োখন পত্ৰতে হিটলাৰক 'বন্ধু' বুলি সম্বোধন কৰিছিল। তেওঁ হয়তো লেখাৰ সময়তে উপলব্ধি কৰিব পাৰিছিল যে 'বন্ধু' বুলি সম্বোধন কৰাৰ কাৰণটোও আৰম্ভণিতে জনাই থোৱা ভাল। গান্ধীয়ে আগবঢ়োৱা যুক্তিত কোনো বৌদ্ধিক চল-চাতুৰিৰ প্ৰলেপ দেখা পোৱা নাযায়। জাতি, বৰ্ণ, ধৰ্ম, ভাষা-নিৰ্বিশেষে সকলো মানুহক সমান দেখা গান্ধীয়ে চিঠিখনত কৈছিল যে তেওঁৰ কোনো শত্ৰু নাই। গোটেই মানৱ জাতিয়েই তেওঁৰ বন্ধু। লগতে এইটো কথাও সোঁৱৰাই দিবলৈ পাহৰা নাছিল যে অহিংস বিশ্ব ভ্ৰাতৃত্বৰ ডোলেৰে



বান্ধ খোৱা পৃথিৱীৰ অন্যান্য সাধাৰণ মানুহেও হয়তো হিটলাৰৰ কাৰ্যপন্থাক তেওঁৰ দৃষ্টিৰেই মূল্যায়ন কৰিব।

প্ৰথম চিঠিখন লেখাৰ আগতে গান্ধীয়ে ঠিকেই অনুমান কৰিব পাৰিছিল যে হিটলাৰৰ তীব্ৰ স্বাৰ্থান্বেষী আৰু স্বেচ্ছাচাৰী কাৰ্য বন্ধ নহ'লে এখন বিশাল যুদ্ধ পৃথিৱীৰ সন্মুখত অৱশ্যম্ভাৱী। সেই যুদ্ধৰ ৰক্তক্ষয়ী প্ৰভাৱৰ পৰা মানুহক বচাবলৈ কিছু অনিচ্ছা সত্বেও গান্ধীয়ে তেওঁৰ অন্যান্য কেতবোৰ বন্ধুৰ অনুৰোধত চিঠিখন লিখিছিল। চুটি চিঠিখনত তেওঁ এটা কথা কৈছিল যে হিটলাৰে ইচ্ছা কৰিলে বিশ্ববাসীক তেনে এখন যুদ্ধ সংঘটিত হোৱাৰ পৰা ৰেহাই দিব পাৰে। কাৰণ, যুদ্ধ এখন হ'লে মানৱ জাতিৰ ওপৰত পৰিব পৰা তাৰ ধ্বংসাত্মক প্ৰভাৱৰ কথা গান্ধীয়ে খুব সুন্দৰকৈ ধৰিব পাৰিছিল। যুদ্ধোত্তৰ কালত বহুতো সমালোচকে তেওঁৰ এই আশাক মূৰ্খামিৰ পৰিচায়ক বুলি অভিহিত কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল। আনকি কিছু সমালোচকে কৈছে যে যুদ্ধখন বন্ধ কৰাত হিটলাৰে কিছু দৃঢ় পদক্ষেপ লোৱাটোহে গান্ধীয়ে বিচাৰিছিল আৰু তাৰ বাহিৰে হিটলাৰৰ অন্যান্য অমানৱীয় কাৰ্যাৱলীত গান্ধীয়ে নিৰৱতাৰ যোগেদি মান্যতা প্ৰদানহে কৰিছিল। কিন্তু নিৰপেক্ষ আৰু নিৰ্মোহ যুক্তিৰ আগত এনেবোৰ সমালোচনা সুস্থ আৰু সন্তুলিত চিন্তাৰ বহিঃপ্ৰকাশ বুলি কেতিয়াও আখ্যা পাব নোৱাৰে। কাৰণ ইহুদী নিধনকে আদি কৰি অধিকাংশ নৃশংস কাম হিটলাৰে কৰিছিল দ্বিতীয় বিশ্বযুদ্ধৰ আৰম্ভণিৰ পাছতহে। যুদ্ধৰ অচিলা লৈয়েই বহুতো জাৰ্মান লোকৰ সমৰ্থনো হিটলাৰে নানা কৌশলেৰে আদায় কৰিবলৈ সক্ষম হৈছিল। শান্তিৰ সময়ত ইমানবোৰ মানৱীয় কাম হিটলাৰে কেতিয়াও কৰিব নোৱাৰিলেহেঁতেন। সেই কথাৰ প্ৰমাণ হিটলাৰে যুদ্ধৰ আৰম্ভণিতে নিজৰ দেশত ল'ব খোজা আন এক জঘন্য কাৰ্যসূচীৰ সময়ত পোৱা যায়। জাৰ্মান লোকসকলৰ দাবীৰ ওচৰত সেও মানি মদমত্ত হিটলাৰে শাৰীৰিকভাৱে অক্ষম লোকসকলক ইচ্ছামৃত্যু দিব বিচৰা চিন্তা মনৰ পৰা পৰিহাৰ কৰিবলগীয়া হৈছিল। গতিকে এইটো ঘটনাৰ পৰাও উপলব্ধি কৰিব পাৰি যে গান্ধীৰ প্ৰথম চিঠিখনত হিটলাৰক কৰা অনুৰোধক নিতান্তই অপ্ৰয়োজনীয় বুলি ক'ব নোৱাৰি। বৰং ইয়াৰ মাজত অন্তৰ্নিহিত হৈ আছিল এক শান্তিকামী দূৰদৃষ্টি।

গান্ধীয়ে হিটলাৰলৈ লিখা দ্বিতীয় চিঠিখন আছিল কিছু দীঘলীয়া। মূলতঃ অহিংস আন্দোলনৰ অনন্য বৈশিষ্ট্যসমূহৰ কথা উল্লেখ কৰি গান্ধীয়ে যিকোনো সংগ্ৰামতে শত্ৰুপক্ষক শাৰীৰিকভাৱে পৰাভূত কৰাতকৈ মানসিকভাৱে জয় কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। তদুপৰি হিটলাৰৰ নিজৰ দেশৰ প্ৰতি থকা মোহ আৰু সন্মানক গান্ধীয়ে স্বীকৃতিও দিছিল। কিন্তু হিটলাৰৰ অযুক্তিকৰ জেদভাৱ, গোড়ামি আৰু অমানুষিক আচৰণক শাণিত ভাষাৰে সমালোচনা কৰিবলৈও তেওঁ এৰা নাছিল। হিটলাৰে পোলেণ্ড, চেকশ্লোভাকিয়া আৰু ডেনমাৰ্কৰ বিৰুদ্ধে দেখুওৱা মিলিটেৰী আগ্ৰাসনক দানৱীয় বুলি ক'বলৈও গান্ধীয়ে ইতস্ততঃ কৰা নাই। শক্তিশালীয়ে শক্তিহীনৰ ওচৰত দেখুওৱা বীৰত্ব বা পৰাক্ৰমক তেওঁ কঠোৰ ভাষাৰে সমালোচনা কৰিছিল। নাজীবাদৰ দৰে ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে গান্ধীয়ে গ্ৰহণ কৰা মতামত উক্ত পত্ৰখনৰ মাজতে পোৱা যায়।

গান্ধীয়ে বিশ্বাস কৰিছিল যে নাজীবাদ আৰু ব্ৰিটিছ সাম্ৰাজ্যবাদৰ পাৰ্থক্য আছে মতাদৰ্শ দুটাৰ বিৰূপ প্ৰভাৱৰ প্ৰাবল্যৰ ক্ষেত্ৰতহে। তাৰ বাহিৰে শোষণ, লুণ্ঠন আৰু অৱদমন কৰি ৰাখিব বিচৰা প্ৰৱণতাটোৰ ক্ষেত্ৰত দুয়োটাৰে মাজত বিশেষ প্ৰভেদ দৃষ্টিগোচৰ নহয়। তদুপৰি ভাৰতৰ অধিকাংশ স্বাধীনতা আন্দোলনকাৰীয়ে সৰ্বসাধাৰণ ব্ৰিটিছ লোকৰ কোনো অহিত চিন্তা কৰা নাছিল। গান্ধীয়ে কৈছিল— 'আমি তেওঁলোকক পৰাভূত কৰিবলৈ চেষ্টা নকৰোঁ, আমি চেষ্টা কৰিম কেৱল তেওঁলোকৰ মনোভাব সলনি কৰিবলৈ। আৰু যদিহে আমি তেওঁলোকৰ মনৰ ভাব সলনি কৰিবলৈ সক্ষম নহওঁ, তেনেহ'লে আমাৰ অহিংস অসহযোগিতাৰ সহায়েৰে তেওঁলোকৰ শাসন অসম্ভৱ কৰি তুলিম।' উক্ত বাক্যকেইশাৰীতে গান্ধীৰ মনৰ মতাদৰ্শগত স্পষ্টতা, আত্মবিশ্বাস আৰু জয়ৰ অৱশ্যম্ভাৱিতাৰ কথা বুজিব পাৰি। তথাপি ইয়াত কোনো অযুক্তিকৰ তথা অত্যধিক গৌৰৱ আৰু অহংকাৰৰ লেখ দেখা পোৱা নাযায়। ভাৰতৰ মাটি, ভাৰতীয় মানুহৰ শৰীৰ আৰু ভাৰতীয় মানুহৰ অন্তৰাত্মা সকলোকে গান্ধীয়ে ভিন্ন ৰূপত চিহ্নিত আৰু মূল্যায়ন কৰিছিল। তেওঁ হিটলাৰক কৈছিল যে ব্ৰিটিছে আমাৰ মাটি বা শৰীৰ লৈ ল'ব পাৰে, কিন্তু কোনো ভাৰতীয়ৰে অন্তৰাত্মা জয় কৰিব নোৱাৰে। মানুহৰ হৃদয় জয় কৰিবলৈ অসমৰ্থ কোনো শক্তিকে গান্ধীয়ে হয়তো প্ৰকৃতাৰ্থত শক্তিশালী বুলি ভবা নাছিল। সেয়েহে সত্য আৰু অহিংসাৰ ওপৰত তেওঁৰ আস্থা আছিল সদায় অটল।

গান্ধীয়ে হিটলাৰক আৰু কৈছিল যে অহিংস পন্থাৰে উদ্বুদ্ধ অলেখ ভাৰতীয় লোকে ব্ৰিটিছৰ প্ৰতি কোনো বিৰূপ মনোভাব পোষণ নকৰি নিজৰ দেশৰ বাবে প্ৰাণ উছৰ্গা কৰিব পাৰে। ইয়াৰ জৰিয়তে অহিংস মতাদৰ্শৰ মাজত অন্তৰ্নিহিত হৈ থকা সীমাহীন সাহস আৰু স্বাৰ্থহীন দেশপ্ৰেমৰ দৃষ্টান্ত তেওঁ সজোৰে দাঙি ধৰিছিল। অন্যান্য কিছু সতীৰ্থৰ নিচিনাকৈ গান্ধীয়ে জাৰ্মান শক্তিৰ সহায়ত ব্ৰিটিছ সাম্ৰাজ্যবাদক ওফৰাব বিচৰা নাছিল। সেই বিষয়েও তেওঁ দ্বিধাহীনভাৱে স্পষ্ট ভাষাত হিটলাৰক জনাই দিছিল। তেওঁ বিশ্বাস কৰিছিল যে বিশ্বৰ হিংসাশ্ৰয়ী শক্তিসমূহৰ সন্মিলিত প্ৰচেষ্টাকো অহিংস সংগ্ৰামে সেও মনাবলৈ সক্ষম হ'ব। কাৰণ অহিংস ৰণত জয় বা পৰাজয়ৰ কোনো কথা থাকিব নোৱাৰে। গান্ধীৰ মতে ভাৰতৰ স্বাধীনতা সংগ্ৰাম শেষ সময়ত পৰ্যবসিত হৈছিল কেৱল 'do or die' পৰ্যায়লৈ, কিন্তু কাকো হত্যা কৰি বা কাকো আঘাত দি নহয়। তেওঁ আৰু কৈছিল যে অহিংস সংগ্ৰামৰ বাবে টকা-পইচা বা হিটলাৰে প্ৰদৰ্শন কৰা ৰাজনৈতিক মতাদৰ্শৰ কোনো প্ৰয়োজন নাই।

গান্ধীয়ে পত্ৰখনত লিখা ইয়াৰ পিছৰ কথাখিনিত দ্বিতীয় মহাসমৰৰ সম্ভাব্য ফলাফল আৰু হিটলাৰৰ শেষ অৱস্থাৰ কথা ভৱিষ্যদ্বাণীৰ দৰে পৰিস্ফুট হয়। মূলতঃ সেই সময়ৰ বিশ্বৰ বিভিন্ন শক্তিৰ মাজত থকা সম্পৰ্কবোৰৰ মাত্ৰাক সূক্ষ্ম দৃষ্টিকোণেৰে বিশ্লেষণ কৰিব পৰা ক্ষমতা আৰু নিজৰ মতাদৰ্শৰ যুক্তিযুক্ততাৰ ওপৰত গভীৰ বিশ্বাস ৰখা গান্ধীৰ দৰে এজন ব্যক্তিৰ কাপৰ পৰা উক্ত কথাখিনি

হয়তো অত্যন্ত অৱধাৰিতভাৱে ওলাই আহিছিল। হিংসাৰ মূল সীমাবদ্ধতা  হ'ল ই আমন্ত্ৰণ কৰি অনা সৰ্বতোপ্ৰকাৰৰ ধ্বংসলীলা। কিন্তু একে সময়তে সেই হিংসাশ্ৰয়ী যুদ্ধ আৰম্ভ কৰা পক্ষটোৰ দুৰ্বলতাও শত্ৰুপক্ষই বুজি পোৱা হয় আৰু উচিত সময়ত শত্ৰুপক্ষই প্ৰথম পক্ষক পৰাভূত কৰিবলৈ সক্ষম হয়। গান্ধীয়ে সেই কথা সঠিকভাৱেই উপলব্ধি কৰিছিল আৰু হিটলাৰক জনাইছিল যে এদিন হয়তো ব্ৰিটিছ বা আন শক্তিয়ে হিটলাৰে সূচনা কৰা খেলখনত অধিক পাকৈত হৈ উঠিব আৰু জাৰ্মান শক্তিক পৰাভূত কৰিব।

দ্বিতীয় মহাযুদ্ধৰ শেষ পৰিণামো প্ৰায় তেনেধৰণেৰেই হৈছিল আৰু হিটলাৰ বাহিনী মিত্ৰশক্তিৰ হাতত পৰাভূত হৈ বিধ্বস্ত হৈ পৰিছিল। কিন্তু অত্যন্ত পৰিতাপৰ বিষয় আছিল যে বিধ্বংসী হত্যালীলাৰ ব্যাপ্তি আৰু গভীৰতাৰ ক্ষেত্ৰত দ্বিতীয় মহাসমৰ পৃথিৱীৰ বুৰঞ্জীৰ এক দুখজনক অধ্যায় হিচাপে চিহ্নিত হৈ ৰ'ল। প্ৰায় পাঁচ কোটিতকৈও অধিক মানুহে প্ৰাণ হেৰুওৱা এই যুদ্ধই সমগ্ৰ বিশ্বৰ বহুতো অঞ্চলত ধ্বংসৰ তাণ্ডৱলীলা চলাইছিল। মৃত্যুবৰণ কৰাতকৈও অধিকসংখ্যক মানুহ জীৱনৰ কাৰণে ঘৃণীয়া হৈছিল। যুদ্ধত লিপ্ত দেশসমূহৰ অৰ্থনীতি হৈ পৰিছিল সম্পূৰ্ণৰূপে বিধ্বস্ত। নানান গুৰুত্বপূৰ্ণ উদ্যোগ আৰু সেইবোৰ স্থাপনৰ বাবে কৰা লাখ লাখ মানুহৰ শ্ৰম, কষ্ট আদি ধূলিৰ লগত মিহলি হৈ গৈছিল। তাতকৈও দুৰ্ভাগ্যজনক কথা আছিল দ্বিতীয় বিশ্বযুদ্ধত প্ৰথমবাৰৰ বাবে ব্যৱহৃত হৈছিল এটম বোমা। জাপানৰ হিৰোচিমা আৰু নাগাচাকিত আমেৰিকাই নিক্ষেপ কৰা এটম বোমাৰ প্ৰভাৱত তাৎক্ষণিকভাৱে মৃত্যু হোৱা অলেখ মানুহৰ বাহিৰেও আৰু এক গৰিষ্ঠসংখ্যকে পাছৰ জীৱনত অবৰ্ণনীয় কষ্ট খাই জীয়াতু ভুগিছিল। অৱশ্যে দ্বিতীয় বিশ্বযুদ্ধৰ দৰে পৃথিৱীৰ ইমানবোৰ দেশ জড়িত থকা এক সংঘাতত কেৱল হিটলাৰকে জগৰীয়া কৰাটো সমীচিন নহয়। তৎসত্ত্বেও সেই বিভীষিকাময় পৰিস্থিতিৰ মূল কাৰণৰ বিষয়ে চিন্তা কৰিলেই হিটলাৰৰ অবিবেচক, চূড়ান্ত স্বাৰ্থপৰ আৰু হিংসাশ্ৰয়ী পথৰ ওপৰত অত্যধিক আস্থাশীল কাৰ্যাৱলীৰ কথাই সকলোৰে মনলৈ আহে।

ইয়াৰ বিপৰীতে গান্ধীৰ মতাদৰ্শৰ সুস্থিৰতাৰ কথা নাজীবাদ বিৰোধী সংগ্ৰামৰ ক্ষেত্ৰতো সুন্দৰভাৱে পৰিলক্ষিত হয়। নাজী বাহিনীৰ হিংসাক তেওঁ যিদৰে বিৰোধিতা কৰিছিল, সেই একেই তীক্ষ্ণতাৰে তেওঁ নাজীবাদবিৰোধী হিংস্ৰ পন্থাটোকো বিৰোধিতা কৰিছিল। তদুপৰি ধ্বংস কৰাতকৈ গান্ধীয়ে সদায় গুৰুত্ব আৰোপ কৰিছিল মত পৰিৱৰ্তনৰ বাবে লোৱা আন্তৰিকতাপূৰ্ণ প্ৰচেষ্টাক। তেওঁৰ এই মতৰ বাবে বিভিন্ন ব্যক্তিয়ে বিভিন্ন সময়ত ক্ষুৰধাৰ সমালোচনাও কৰিছিল। কিন্তু মহাত্মা গান্ধী নিজ বিশ্বাসত সদায়  অটল হৈ আছিল।





**"**

গান্ধীয়ে হিটলাৰক আৰু কৈছিল যে অহিংস **পন্থাৰে উদ্বুদ্ধ অলেখ ভাৰতীয় লোকে ব্ৰিটিছৰ প্ৰতি কোনো বিৰূপ মনোভাব পোষণ নকৰি** নিজৰ দেশৰ বাবে প্ৰাণ উছৰ্গা কৰিব পাৰে।

তদুপৰি বহু সময়ত নিজৰ মতাদৰ্শগত গোড়ামিৰ বাবেও গান্ধী সমালোচিত হৈছিল। কিন্তু কোনো সমালোচনাই সত্য আৰু অহিংসাৰ নীতিৰ ওপৰত তেওঁ পোষণ কৰা আস্থাক টলাব পৰা নাছিল। বহুতে যদিও এইক্ষেত্ৰত গান্ধীৰ ইগ' বা আত্মবোধৰ কথাও উনুকিয়াব বিচাৰে, কিন্তু আমাৰ বোধেৰে যিকোনো প্ৰকাৰৰ হিংসাৰ বিৰুদ্ধে তেওঁ ৰখা মনোভাব আছিল হৃদয়ৰ নিভৃততম কোণৰ পৰা সৃষ্ট এক স্বতঃস্ফূৰ্ত প্ৰকাশহে। কোনোধৰণৰ কৃত্ৰিমতা বা ভণ্ডামিৰ আৱৰণৰ পৰা সেয়া আছিল সম্পূৰ্ণভাৱে মুক্ত।

সাম্প্ৰতিক সময়ত এচাম পণ্ডিতে প্ৰায় আলোচনা কৰা দেখা যায় যে গান্ধীৰ অহিংস নীতি আৰু আত্মত্যাগী আদৰ্শয়ো স্বাধীনতাৰ সময়ত আমাৰ দেশখনক বিভাজিত কৰাৰ পৰা ৰক্ষা কৰিব নোৱাৰিলে। কিন্তু সুস্থ আৰু বস্তুনিষ্ঠ ইতিহাস চৰ্চাৰ লগত জড়িত সকলো লোকে হয়তো এইটো কথা মানি ল'ব যে বিশ্ব ইতিহাসৰ যিকোনো গুৰুত্বপূৰ্ণ ঘটনাৰ বাবে কেৱল এজন মানুহৰ চিন্তা-চৰ্চা আৰু কৰ্মৰাজি একমাত্ৰ কাৰণ হ'ব নোৱাৰে। নিজৰ মতাদৰ্শৰ সীমাবদ্ধতাৰ বিষয়ে গান্ধী নিজেও জ্ঞাত আছিল। তথাপি এই কথা অনস্বীকাৰ্য যে গান্ধীৰ মতাদৰ্শৰ মাজত পৃথিৱীৰ অধিকাংশ মানুহৰ কল্যাণ সাধন কৰিব পৰা এক বিপুল সম্ভাৱনীয়তা আজিও লুকাই আছে। কিন্তু সেই প্ৰত্যাহ্বানক গ্ৰহণ কৰি বিশ্ববাসীক এক শান্তিময়, সমৃদ্ধিময়, অৰ্থৱহ আৰু গভীৰ অন্তৰ্দৃষ্টিসম্পন্ন পথৰ সন্ধান দিবলৈ আজি গান্ধীৰ দৰে মহামানৱৰ বাৰুকৈয়ে অভাৱ। গান্ধীয়ে হিটলাৰলৈ লিখা দুয়োখন পত্ৰৰ মাজতে হিটলাৰৰ কাৰ্যপন্থা সম্পৰ্কে তেওঁ পোষণ কৰা দৃঢ় বিৰোধিতাৰ লগতে সত্য আৰু অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত সংগ্ৰামৰ শ্ৰেষ্ঠত্বৰ অনুৰণন শুনা যায়।

অতিথি শিতান



বৈশিষ্ট্যৰে ভৰা ৰাভাসকলৰ লোকবিশ্বাস, পৰম্পৰা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, কৃষ্টি-সংস্কৃতিৰ ওপৰত গৱেষণাৰ জৰিয়তে বহুখিনি তথ্য লাভৰ যথেষ্ট সম্ভাৱনা লুকাই আছে। গৱেষক, গৱেষিকা তথা পণ্ডিতসকলে ৰাভা জনগোষ্ঠীৰ ওপৰত গভীৰভাৱে গৱেষণা কৰি অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰি তুলিবলৈ আহ্বান জনালোঁ।

# স্বকীয় বৈশিষ্ট্যৰে পৰিপূৰ্ণ ৰাভা জনগোষ্ঠী




**তৰুণ হাটো**

অধ্যক্ষ, ৰাভা হাছং
স্বায়ত্ত শাসিত পৰিষদ


ভাৰতীয় সংবিধানৰ ৩৪২নং অনুচ্ছেদ অনুযায়ী ১৯৫০ চনৰ জনজাতি অধিসূচনা হিচাপে অসমত থকা এটা জনজাতি। শোণিতপুৰৰ ৰজা বাণ, বীৰ দদান ৰজা আৰু ৰজা পৰশুৰাম ৰাভাৰ বংশধৰ এই ৰাভা জনগোষ্ঠীৰ 'ৰাভা' শব্দটো ক'ৰ পৰা কেনেকৈ হৈছে এই সম্পৰ্কে বহু পণ্ডিতৰ বহু মত যদিও এসময়ত 'ৰাভি' নামৰ নদীৰ পাৰত বসবাস কৰা লোকসকলেই 'ৰাভা' নামেৰে জনা যায় বুলি কোৱা হৈছে। আৰু আন কোনো পণ্ডিতে কৈ গৈছে যে 'ৰভ্য' নামৰ এগৰাকী মুনিৰ আনুগত্য মানি চলা এদল লোকে এটা সময়ত 'ৰাভা' নামেৰে জনাজাত হয় বুলি। মুঠতে ৰাভাসকল হ'ল এটা তিব্বত বৰ্মীয় মঙ্গলীয় গোষ্ঠীৰ লোক।

নিজস্ব ভাষা, কৃষ্টি, ৰীতি-নীতি, সাজ-পাৰ, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বন, সমাজ ব্যৱস্থাৰে অসমৰ অন্যান্য ভৈয়াম জনজাতিসকলৰ ভিতৰত অন্যতম সহজ-সৰল আৰু স্বাধীনচেতিয়া জনগোষ্ঠী হিচাপে নিজকে চিনাকি দিবলৈ সক্ষম হোৱা ৰাভা জনগোষ্ঠীৰ থাল বা ভাগৰ বিষয়ে বহু পণ্ডিতে বিভিন্ন মত পোষণ কৰি আহিছে যদিও মূলতঃ ৰাভাসকলৰ ১০ (দহ)টা থাল আছে। সেই ভাগকেইটা হ'ল— (১) ৰংদানি, (২) মায়তৰি, (৩) পাতি, (৪) দাহুৰি, (৫) কোচ্চা, (৬) হানা, (৭) বিতিলা, (৮) টোতলা, (৯) ছুঙ্গা আৰু (১০) মদাহি।

ৰাভাসকলৰ এই দহটা থালৰ ভিতৰত মদাহি থালটোৱে ৰাজনৈতিক বা অন্য কিবা কাৰণতে হওক তেওঁলোকে কিছু বছৰ আগৰে পৰা নিজকে এটা স্বতঃন্তৰীয় জনগোষ্ঠী বুলি দাবী কৰি আহিছে। যদিও মদাহিসকল মূলতঃ ৰাভা জনগোষ্ঠীৰ এটা থালহে।

দহটা থালেৰে গঠিত এই শান্তিপ্ৰিয় ৰাভা জনগোষ্ঠী উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰৰ বৃহৎ সংখ্যক ৰাভাসকলে অসম আৰু মেঘালয়ত বাস কৰি আছে। পশ্চিমবংগতো যথেষ্ট সংখ্যক ৰাভা সম্প্ৰদায়ৰ লোক থকা দেখা যায়। ইয়াৰ উপৰিও ভাৰতৰ বিভিন্ন ৰাজ্যতো কম-বেছি পৰিমাণে ৰাভা থকাৰ লগতে চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশ, নেপাল, ভূটান আৰু আফগানিস্তানতো বহু সংখ্যক ৰাভা বসতি থকা কথা জনা যায়।

যুগ যুগ ধৰি বলি বিধানত বিশ্বাস ৰাখি নিজকে শাক্ত পন্থী বুলিয়ে চিনাকি দি ভালপোৱা ৰাভাসকলে নিজস্ব নিয়ম-নীতিৰ মাজেৰে সুন্দৰ পৰিপাটিৰে সমাজ ব্যৱস্থা পৰিচালনা কৰি চলে। কৃষিজীৱী ৰাভাসকলে তেওঁলোকৰ শস্যৰ অধিক ফচল লাভৰ লক্ষ্যৰে বিভিন্ন ঋতুত বিভিন্ন দেৱ-দেৱীক মদে-ভাতে, নৃত্য-গীতৰ মাজেৰে পূজা-পাতল কৰি দৈনন্দিন জীৱন সুন্দৰ আৰু সুখৰ কৰি ৰখাৰ প্ৰয়াস কৰি চলে। বছৰৰ প্ৰায়বোৰ

**প্ৰকৃত ৰাভা সমাজত আজিও জন্ম, বিবাহ, মৃত্যু এই সকলোবোৰ অনুষ্ঠান কোনোধৰণৰ সংস্কৃত মন্ত্ৰ নপঢ়াকৈ নিজস্ব দেউৰী বা বায়ফাঙৰ দ্বাৰাই শুদ্ধভাৱে চলাই আহিছে।**

ঋতুতে তেওঁলোকে পূজিত দেৱ-দেৱীৰ নামত অতি নিষ্ঠা আৰু পবিত্ৰতাৰে পালন কৰি অহা সৰু-বৰ পূজা-পাৰ্বনৰ উপৰিও ৰাভাসকলে সাৰ্বজনীনভাৱে মানি অহা অতি তাৎপৰ্যপূৰ্ণ উৎসৱ হ'ল 'বায়খো দেৰা'। বছৰৰ জেঠ মাহৰ পূৰ্ণিমা তিথিত তেওঁলোকে 'বায়খো দেৰা' পালন কৰে। 'বায়' মানে দেৱ বা দেৱী আৰু 'খো' মানে মখুনি মাৰা বা সমষ্টিগত অৰ্থৰে বায়খো দেৰাক ৰাভাসকলে নিষ্ঠা আৰু পবিত্ৰতাৰে সৈতে অতি উলহ-মালহেৰে পালন কৰে।

বায়খো দেৰাত অঞ্চল ভেদে তেওঁলোকৰ পূৰ্ব পুৰুষে মানি অহা অনুসাৰে ভিন ভিন ঠাইত ভিন ভিন দেৱ-দেৱীক পূজা কৰা দেখা যায়। তথাপি এটা পূৰ্ণ বায়খো পূজাত পূজিত দেৱ-দেৱীৰ নাম ইয়াত উল্লেখ কৰিলোঁ— (১) মামা ছিবু দাৰমাং (২) আয়া ছিছুৰাণী (৩) আয়া তামায় (৪) আয়া চাম্পায় (৫) আয়া চাৰি (৬) আয়া দাদুৰি (৭) আয়া ৰংবুদি (৮) আয়া ৰংমাৰি (৯) আয়া চায়মাৰি (১০) আয়া খুছুৰি (১১) আয়া নাকাতি (১২) জুজু কনচো বুদা আৰু (১৩) ৰংগিৰি মাৰুক্ষেত্ৰী। ইয়াত যিবোৰক 'আয়া' শব্দৰে অলংকৃত কৰা হৈছে সেইবোৰ হ'ল দেৱী। 'আয়া' মানে হ'ল 'মা'।

আস্থা, বিশ্বাস আৰু পবিত্ৰতাৰ প্ৰতীক স্বৰূপ বায়খো দেৰাত মূলতঃ প্ৰেম, শক্তি আৰু পবিত্ৰতাৰ ওপৰতে পূজা কৰা হয়। বায়খো দেৰাৰ ছাথাৰ নৃত্যৰ জৰিয়তে প্ৰেমৰ, কিল্লা ভাঙা পৰ্বৰে শক্তিৰ আৰু বাৰনাক্কায় বা অগ্নিৰ ওপৰেৰে নচা নৃত্যৰ জৰিয়তে পবিত্ৰতাৰ পৰিচয় দাঙি ধৰি আহিছে।

ৰাভাসকলে তেওঁলোকৰ পূজিত দেৱ-দেৱীক যেনেধৰণে অতি নিষ্ঠা আৰু পবিত্ৰতাৰে মানি আহিছে তদ্ৰূপ তেওঁলোকৰ সমাজ ব্যৱস্থাতো গাঁৱৰ সকলোৱে লগ লাগি পৰম্পৰাগতভাৱে পালন কৰি

